# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 08-10-2024
**Time :** 21-25 Hrs

# Assamese Night Bulletin
::::::::::::::::::::::::::::::::::::::::::::

শাৰদীয় দুৰ্গা পূজা উপলক্ষে সমগ্ৰ ৰাজ্যজুৰি উৎসৱমুখৰ পৰিৱেশে বিৰাজ কৰিছে। ষষ্ঠীৰ বেদীত দেৱী দুৰ্গাৰ প্ৰাণ প্ৰতিষ্ঠাৰ লগে লগে এই বছৰৰ শাৰদীয় দুৰ্গোৎসৱ আৰম্ভ হ'ব। এইবাৰ দেৱী দুৰ্গাৰ দোলাত আগমন ঘটিছে আৰু ঘোঁৰাত গমন হ'ব বুলি বিশ্বাস কৰা হৈছে। বিগত কিছুদিন ধৰি ৰাজ্যত বৰষুণ হোৱাৰ পৰিপ্ৰেক্ষিতত এইবাৰ পূজাৰ উৎসাহ কিছু স্তিমিত হোৱা দেখা গৈছিল যদিও বতৰ ফৰকাল হোৱাৰ লগে লগে ৰাজ্যবাসীৰ মাজত উৎসাহৰ সঞ্চাৰ হৈছে। ৰাজ্যৰ প্ৰান্তে প্ৰান্তে পূজা-মণ্ডপসমূহ আটকধুনীয়াকৈ আলোকসজ্জাৰে সজ্জিত কৰা হৈছে। ইপিনে, ইতিহাস প্ৰসিদ্ধ দেৱালয়সমূহত নৱৰাত্ৰিৰ প্ৰথম দিনাৰে পৰা যথাবিহিত ৰীতি-নীতিৰে দেৱী দুৰ্গাৰ পূজা-অৰ্চনা কৰা হৈছে। আজি দেৱী কাত্যায়নীৰ বন্দনা কৰা হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই উপলক্ষে দিয়া বাৰ্তাত দেৱী কাত্যায়নীৰ আশীৰ্বাদত জনসাধাৰণৰ শক্তি, সামৰ্থ আৰু সাহস বৃদ্ধিৰ বাবে সেৱা জনায়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাইও আজি দেৱী কাত্যায়নীৰ আৰাধনা কৰাৰ লগতে সকলোৰে জীৱন সুখ-শান্তি আৰু সমৃদ্ধিৰে ভৰাই তুলিবলৈ আশীষ বিচাৰে।

ইপিনে, **গুৱাহাটী** মহানগৰীৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত দুৰ্গতিনাশিনী দেৱী দুৰ্গাৰ উপাসনাৰ বাবে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ হৈছে। চি চি টি ভি কেমেৰা সংস্থাপন, স্বেচ্ছাসেৱক নিয়োগ, পৰিস্কাৰ-পৰিচ্ছন্নতা বজাই ৰখাকে ধৰি পূজা সমিতিসমূহলৈ কেইবাটাও নিৰ্দেশনা জাৰি কৰা হৈছে। গুৱাহাটী মহানগৰীত ইতিমধ্যে ৪৫০ খনৰো অধিক সমিতিয়ে পূজা অনুষ্ঠিত কৰিবলৈ আৰক্ষী প্ৰশাসনৰ পৰা অনুমতি লৈছে। শক্তিপীঠ কামাখ্যা ধাম, উত্তৰ গুৱাহাটীৰ দীৰ্ঘেশ্বৰী দেৱালয়, উজান বজাৰৰ উগ্ৰতাৰা দেৱালয়, বেলশৰৰ বিল্বেশ্বৰ দেৱালয়কে ধৰি বিভিন্ন ইতিহাস প্ৰসিদ্ধ স্থানসমূহত পূজা উপলক্ষে পৱিত্ৰ পৰিৱেশে বিৰাজ কৰিছে।

বাক্সা জিলাৰ শ্ৰীশ্ৰীকুজিদেওৰ দেৱালয়ত এইবাৰ ১৭৬ সংখ্যক সাৰ্বজনীন দুৰ্গা পূজা উপলক্ষে প্ৰস্তুতি সম্পন্ন হৈছে। কাইলৈ পূজাৰ সৈতে সংগতি ৰাখি স্বচ্ছতা অভিযান, মুখ্য দ্বাৰ মুকলি, পতাকা উত্তোলন, স্মৃতি তৰ্পন, গছপুলি ৰোপণ, শাস্ত্ৰপাঠ আদিৰ আয়োজন কৰা হৈছে।  পূজা উপলক্ষে বিগত কিছুদিনৰ পৰা দেৱালয়ত ভক্তৰ আগমণ বৃদ্ধি পাইছে। ইপিনে, যোৰহাট জিলা প্ৰশাসনে আজি দুৰ্গা পূজা, কালী পূজা আৰু ষট পূজাৰ পৰিপ্ৰেক্ষিতত বিভিন্ন পূজা সমিতিৰ সৈতে এখন বৈঠকত মিলিত হয়। এই বৈঠকত পূজাৰ সময়ছোৱাত শান্তি শৃংখলা অটুত ৰখাৰ বাবে সিদ্ধান্ত লোৱা হয়। বৈঠকৰ সিদ্ধান্ত অনুসৰি সমিতিসমূহে অসম প্ৰদূষণ নিয়ন্ত্ৰণ বোৰ্ডৰ শেহতীয়া নিৰ্দেশনা মানি চলাটো বাধ্যতামূলক।  তদুপৰি অসম শক্তি বিতৰণ কোম্পানী লিমিটেড অৰ্থাৎ এ পি ডি চি এলৰ পৰা বিদ্যুৎ সংযোগৰ আগতীয়া অনুমতি লবলৈ কোৱা হৈছে। ইয়াৰ লগতে জিলা প্ৰশাসনে জাৰি কৰা অন্যান্য নিৰ্দেশনাসমূহ মানি চলিবলৈও কোৱা হৈছে।

0000000

কৰিমগঞ্জ জিলাৰ বজৰিচৰা থানা এলেকাত আইন শৃংখলা পৰিস্থিতি অটুত ৰাখিবলৈ জিলাখনৰ আয়ুক্তই ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ নম্বৰ ধাৰাৰ অধীনত কেতবোৰ নিষেধাজ্ঞা জাৰি কৰিছে। এই অনুসৰি পুনৰ নিৰ্দেশ নিদিয়া পৰ্যন্ত এই এলেকাত অনুমতি অবিহনে ৫ জন বা ততোধিক লোক একত্ৰিত হোৱাটোত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। আনহাতে, আগতীয়া অনুমতি অবিহনে কোনো ধৰণৰ আন্দোলনসূচক কাৰ্যসূচী নিষিদ্ধ কৰা হৈছে। অনুমতি অবিহনে লাউড স্পীকাৰ বা এনে ধৰণৰ যন্ত্ৰ ব্যৱহাৰটো নিষেধাজ্ঞা আৰোপ কৰা হৈছে। এই আদেশ ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰী, এম্বুলেন্স আৰু অগ্নি নিৰ্বাপক বাহিনীৰ দৰে জৰুৰীকালিন সেৱাৰ ক্ষেত্ৰত প্ৰযোজ্য নহ'ব। উল্লেখযোগ্য যে কিছুদিন পূৰ্বে চুবুৰীয়া ৰাজ্য ত্ৰিপুৰাৰ কদমতলাত একাংশ লোকৰ মাজত হোৱা সংঘাটৰ প্ৰভাৱ যাতে জিলাখনত নপৰে তাৰ প্ৰতি লক্ষ্য ৰাখি এই ব্যৱস্থা লোৱা হৈছে।

0000000

জম্মু-কাশ্মীৰত নেচনেল কনফাৰেন্স আৰু কংগ্ৰেছ মিত্ৰজোঁটে পৰৱৰ্তী চৰকাৰ গঠনৰ দিশে অগ্ৰসৰ হৈছে। ৯০ জনীয়া বিধানসভাত এই মিত্ৰজোটে ৪৮ খন আসন লাভ কৰিছে। বিজেপিয়ে ৯০ জনীয়া হাৰিয়ানাত বিধানসভাত একেৰাহে তৃতীয়বাৰৰ বাবে ক্ষমতা দখল কৰাৰ সম্ভাৱনা স্পষ্ট হৈ পৰিছে। দলটোৱে ৪৮ খন আসন লাভ কৰাৰ বিপৰীতে কংগ্ৰেছে ৩৭ খন আসনত জয়ী হৈছে। ইণ্ডিয়ান নেচনেল লোক দল আৰু বি এছ্ পি মিত্ৰজোটে দুখন আৰু নিৰ্দলীয়ই ৫ খন আসন লাভ কৰিছে।

0000000

তিনিচুকীয়া জিলাত নতুন ৰেচন কাৰ্ড প্ৰদানৰ ক্ষেত্ৰত জিলা প্ৰশাসনে তৎপৰতা গ্ৰহণ কৰিছে। আজি ৰেচন কাৰ্ডৰ হিতাধিকাৰী বাচনি সন্দৰ্ভত ডুমডুমাত এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। সভাত ডুমডুমা সমজিলাৰ অন্তৰ্গত সুলভ মূল্যৰ এজেণ্ট, সমবায় সমূহৰ সচিব আৰু সভাপতিসকল তথা পঞ্চায়তৰ বিষয়ববীয়াসকল উপস্থিত থাকে। ৰেচন কাৰ্ডত নতুনকৈ নাম অন্তৰ্ভুক্ত কৰা আৰু নতুন ৰেচন কাৰ্ড লাভৰ বাবে অহা ১৫ অক্টোবৰৰ ভিতৰত আবেদন জমা দিবলৈ কোৱা হৈছে।

0000000

কেন্দ্ৰীয় চৰকাৰে নিৰ্ধাৰণ কৰা উন্নয়নৰ সূচকৰ ক্ষেত্ৰত লক্ষ্যত উপনীত হোৱাৰ বাবে দেশৰ ১১২ খন অভিলাসী জিলাৰ ৫০০ টা উন্নয়নখণ্ডৰ লগতে দৰং জিলাৰ পূব মঙলদৈ উন্নয়ন খণ্ডত আয়োজিত সম্পূৰ্ণতা অভিযানৰ আজি সামৰণি পৰে। নীতি আয়োগৰ নিৰ্দেশমৰ্মে জিলা প্ৰশাসনে আজি মঙলদৈ পুথিভঁড়ালত সামৰণি অনুষ্ঠানৰ আয়োজন কৰে। এই অনুষ্ঠানত মঙলদৈৰ বিধায়ক বসন্ত দাস উপস্থিত থাকে। আজিৰ কাৰ্যসূচীত ৬ টা বিভাগ, কেইবাগৰাকীও এ. এন. এম, আশাকৰ্মী আৰু অঙ্গনবাড়ী কৰ্মীক উৎকৃষ্ট প্ৰদৰ্শনৰ বাবে প্ৰশস্তি পত্ৰ প্ৰদান কৰা হয়। তদুপৰি স্বাস্থ্য বিভাগৰ তৰফৰ পৰা বিনামুলীয়া স্বাস্থ্য শিবিৰ মুকলি কৰা হয়।

0000000

গোলঘাট জিলাৰ বৰপথাৰৰ এক নম্বৰ প্ৰেমহৰা মাঝি গাওঁত আজি সংঘটিত এটা পথ দুৰ্ঘটনাত দুজন স্কুটি আৰোহীৰ থিতাতে মৃত্যু হয়। বিপৰীত দিশৰ পৰা এখন বাহনৰ সৈতে মুখামুখিকৈ খুন্দা মৰাৰ ফলত এই দুৰ্ঘটনাটো সংঘটিত হয়। ঘটনাস্থলীত বৰপথাৰ আৰক্ষী উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে যদিও মৃত লোক দুজনক চিনাক্ত কৰিব পৰা হোৱা নাই।

0000000

ঃঃ সমাপ্ত ঃঃ